# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 04-DEC-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। ৰাজ্যত অহা ৬ মাহৰ ভিতৰত যোৰহাট-ডিব্ৰুগড় সংযোগী পথৰ মেৰামতিৰ কাম কৰা হ'ব বুলি কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীৰ আশ্বাস।

২। ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ মন্ত্ৰীগোটৰ প্ৰতিবেদন সম্পৰ্কত জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতি আৰু মন্ত্ৰীগোটৰ অধ্যক্ষ ডা০ ৰণোজ পেগুৰ আলোচনা। কেন্দ্ৰীয় গৃহমন্ত্ৰী, মুখ্যমন্ত্ৰী আৰু সমন্বয়ৰক্ষী সমিতিৰ মাজত ত্ৰিপাক্ষিক বৈঠকৰ সম্ভাৱনা।

৩। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ তামুলপুৰত ৩৫ হাজাৰ ৪৩ গৰাকী আত্মসহায়ক গোটৰ মহিলাক উদ্যমিতা আঁচনিৰ চেক বিতৰণ।

৪। বৰঝাৰ বিমান বন্দৰত ইণ্ডিগ' এয়াৰলাইন্সৰ বিমান সেৱা ব্যাহত হোৱাৰ বাবে যাত্ৰীসকল অসুবিধাৰ সন্মুখীন।

*আৰু*

৫। নগাঁৱৰ ভকতগাঁৱত কাইলৈ প্ৰশাসনৰ উচ্ছেদ অভিযান।

০০০০০

ৰাজ্যত অহা ৬ মাহৰ ভিতৰত যোৰহাট-ডিব্ৰুগড় সংযোগী পথৰ মেৰামতিৰ কাম কৰা হ'ব বুলি কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰকাশ কৰিছে। লোকসভাত আজি শূন্যকালত সাংসদ গৌৰৱ গগৈয়ে সোধা এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে এই বিষয়ে সদৰি কৰে। তেওঁ লগতে শিৱসাগৰৰ পৰা ডিব্ৰুগড়লৈ চাৰিটা লেনযুক্ত পথ সম্প্ৰসাৰণৰ কামো শীঘ্ৰে আৰম্ভ হ'ব বুলি উল্লেখ কৰে। পথছোৱা সম্প্ৰসাৰণৰ ক্ষেত্ৰত অনিয়ম হোৱাৰ কথা স্বীকাৰ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট ঠিকাদাৰৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সদনক আশ্বাস দিয়ে। সাংসদ গগৈয়ে যোৰহাট-ডিব্ৰুগড় সংযোগী ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথছোৱাৰ দুৰৱস্থাৰ কথা উল্লেখ কৰি কয়, যে বিগত বৰ্ষত পথটোৰ জাঁজী অংশৰ কাম কিছু পৰিমাণে আগবাঢ়িল যদিও শিৱসাগৰৰ পৰা মৰাণলৈকে ৰাষ্ট্ৰীয় ঘাইপথছোৱাৰ অৱস্থা এতিয়াও শোচনীয় হৈ আছে। তেওঁ লগতে জনস্বাৰ্থজড়িত এই বিষয়টোৰ সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক তৎকালে হস্তক্ষেপ কৰি ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগমক জবাবদিহি কৰাৰ উপৰি কঠোৰ নিৰ্দেশ দিবলৈ আহ্বান জনায়।

বিৰোধী উপ-দলপতিগৰাকীয়ে কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে শেহতীয়াকৈ সামাজিক মাধ্যমযোগে প্ৰচাৰ কৰা এটা ভিডিঅ'ত ঘণ্টাত ১৩০ কিলোমিটাৰ বেগেৰে দেশৰ বাকী অংশত গাড়ী চলাব পৰাৰ প্ৰসংগ উল্লেখ কৰি কয়, যে অসমৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰৱস্থাৰ বাবে ই কেতিয়াও সম্ভৱ নহয়। তেওঁ লগতে কয়, যে ৰাজ্যখনৰ জনসাধাৰণে যথেষ্ট পৰিমাণ টোল কৰ দি অতি বিপদসংকুলভাৱে শোচনীয় পথেৰে যাতায়াত কৰিবলগীয়া হয়। ই কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে বুলি সাংসদগৰাকীয়ে মত প্ৰকাশ কৰে।

**বাইট (গৌৰৱ গগৈ)**

০০০০০

ছটা জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত দাখিল কৰা প্ৰতিবেদনক লৈ জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে আজি দিছপুৰৰ জনতা ভৱনত মন্ত্ৰীগোটৰ অধ্যক্ষ ডা০ ৰণোজ পেগুৰ সৈতে আলোচনাত মিলিত হয়। পৰৱৰ্তী পৰ্যায়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আলোচনাৰ পাছত কেন্দ্ৰীয় গৃহমন্ত্ৰী, মুখ্যমন্ত্ৰী আৰু জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ মাজত ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত হোৱাৰ সম্ভাৱনা সম্পৰ্কেও আজিৰ বৈঠকত আলোচনা কৰা হয়। বৈঠকত ডা০ পেগুৱে মন্ত্ৰীগোটে জনোৱা অনুমোদনৰ উপৰি ইতিমধ্যে তালিকাভুক্ত অনুসূচীত জনজাতিৰ স্বাৰ্থ আৰু অধিকাৰ সুৰক্ষিত ৰক্ষাৰ বাবে আগবঢ়োৱা প্ৰস্তাৱ সন্দৰ্ভত বিতংভাৱে ব্যাখ্যা কৰে। তেওঁ সমন্বয়ৰক্ষী সমিতিক মন্ত্ৰীগোটৰ প্ৰতিবেদনৰ পঞ্চম আৰু ষষ্ঠ দুয়োটা অধ্যায় পৃথকে পৃথকে পঢ়াৰ পৰিৱৰ্তে সমন্বিতৰূপত পঢ়িবলৈ আহ্বান জনায়। সমিতিখনে এই সন্দৰ্ভত নিজাববীয়াকৈ এটা বিশেষজ্ঞ গোট গঠন কৰি এমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব বুলি অৱগত কৰে। সমিতিৰ মুখ্য সমন্বয়ক আদিত্য খাখলাৰী আৰু এবছুৰ সভাপতি দীপেন বড়োৱে এই প্ৰতিবেদন সন্দৰ্ভত কিছু পৰামৰ্শ আৰু আপত্তিও দাখিল কৰে। পাছত সাংবাদিকৰ আগত সমিতিৰ মুখ্য সমন্বয়ক আদিত্য খাখলাৰীয়ে এইদৰে কয়–

**বাইট (আদিত্য খাখলাৰী)**

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তামুলপুৰ জিলাত ৩৫ হাজাৰ ১৯৯ গৰাকী আত্মসহায়ক গোটৰ মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। জিলাখনৰ পথালিকুছিত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে এতিয়া ৰাজ্যৰ মহিলাসকলৰ মাজত নৱজাগৰণৰ সূচনা হৈছে। মহিলাসকল উপাৰ্জনমুখী হোৱাৰ ফলত গ্ৰাম্য অৰ্থনীতি শক্তিশালী হোৱাৰ পথ প্ৰশস্ত হৈছে বুলি ড০ শৰ্মাই প্ৰকাশ কৰে। ৰাজ্যত বৰ্তমান ৮ লাখতকৈও অধিক মহিলা লাখপতি বাইদেউলৈ উন্নীত হৈছে বুলি উল্লেখ কৰি তেওঁ মহিলাসকলক উদ্যমিতা পুঁজিৰ ধনৰাশিৰ সঠিক ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। এই ধনৰ সদব্যৱহাৰ কৰা মহিলাসকলক পৰৱৰ্তী সময়ত ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ড০ শৰ্মাই লগতে অহা ১২ ডিচেম্বৰত বি টি চিত অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ আনুষ্ঠানিক ৰূপায়ণ আৰম্ভ হ'ব বুলি ঘোষণা কৰে। তেওঁ কয়, যে সেইদিনা তেওঁ বি টি চিৰ চাৰে ৪ লাখ মহিলাৰ মাজত অৰুণোদয় আঁচনিৰ অনুমোদন পত্ৰ বিতৰণ কৰিব। অনুষ্ঠানত অংশ লৈ বি টি চিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে ৬টা জনগোষ্ঠীক জনজাতিকৰণৰ প্ৰসংগ উল্লেখ কৰি ৰাজ্যত বৰ্তমান জনজাতিৰ স্বীকৃতিপ্ৰাপ্ত যিসমূহ জনগোষ্ঠী আছে তেওঁলোকৰ অধিকাৰ খৰ্ব নোহোৱাকৈ বি টি চি অঞ্চলত থকা কোচ ৰাজবংশী বা আন আদিবাসী লোকসকলক জনজাতিকৰণৰ মৰ্যাদা প্ৰদান কৰা উচিত বুলি মন্তব্য কৰে। অনুষ্ঠানত বিধান সভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰী, তামুলপুৰৰ অভিভাৱক মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, পৰিবহণ মন্ত্ৰী চৰণ বড়োকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

গুৱাহাটীৰ বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত আজি বিমানৰ উৰণ আৰু অৱতৰণত খেলিমেলি হোৱা বাবে বিমান যাত্ৰীসকলৰ মাজত অসুবিধাৰ সৃষ্টি হয়। বিশেষকৈ ইণ্ডিগ' বিমানৰ যাত্ৰীসকলে বহু সময় ধৰি বিমান বন্দৰত অপেক্ষা কৰিবলগীয়া হয়। ইতিমধ্যে গুৱাহাটীৰ পৰা উৰা মাৰিবলগীয়া আৰু গুৱাহাটীত অৱতৰণ কৰিবলগীয়া ইণ্ডিগ'ৰ সকলো বিমান বাতিল কৰা হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে। অৱশ্যে কি কাৰণত ইণ্ডিগ' বিমানৰ উৰণ আৰু অৱতৰণ বাতিল কৰা হৈছে, সেই সন্দৰ্ভত বিমান কৰ্তৃপক্ষই কোনো তথ্য প্ৰকাশ কৰা নাই।

০০০০০

নগাঁও জিলা প্ৰশাসনে ৰূপহীহাট থানাৰ অন্তৰ্গত ভকতগাঁৱত কাইলৈ উচ্ছেদ অভিযান চলাব। উচ্ছেদ অভিযানৰ বাবে ইতিমধ্যে জিলা প্ৰশাসনে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। প্ৰশাসনে প্ৰায় ৩৮ বিঘা ভূমিত থকা ৭৫টা পৰিয়ালৰ

বাসগৃহত উচ্ছেদ চলাব। জিলা প্ৰশাসনে দখলকাৰীলৈ প্ৰেৰণ কৰা জাননীৰ সময়সীমা কালি উকলি গৈছে। উল্লেখযোগ্য যে দখলকাৰী পৰিয়ালসমূহক ১৫ দিনৰ ভিতৰত দখলীকৃত ভূমি খালী কৰিবলৈ জাননী প্ৰেৰণ কৰা হৈছিল। জাননী পোৱাৰ পাছতে একাংশ পৰিয়ালে সেই ঠাই এৰি আঁতৰি গৈছে। কালি ৰূপহীহাট আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ এটা দলে অঞ্চলটো পৰিদৰ্শন কৰি দখলকাৰী পৰিয়ালসমূহক শীঘ্ৰেই চৰকাৰী ভূমি খালী কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০

অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ পৰা পোৱা গোপন তথ্য মৰ্মে ৰাজ্যৰ গৃহ বিভাগে তিনিটা জেহাদী সংগঠনক নিষিদ্ধ ঘোষণা কৰিছে। গৃহ বিভাগে জাৰি কৰা নিৰ্দেশনা অনুসৰি জামাত-উল-মুজাহিদিন বাংলাদেশ, আনছাৰুল্লাহ বাংলা টীম আৰু অল কায়দাৰ সৈতে জড়িত আনছাৰ-অল-ইছলাম নামৰ সন্ত্ৰাসবাদী সংগঠনকেইটাক নিষিদ্ধ ঘোষণা কৰা হৈছে। একেদৰে ৰাজ্যৰ ন্যায়িক বিভাগে ২৬ নৱেম্বৰত প্ৰকাশ কৰা অনুসৰি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাই এই সংগঠনকেইটাৰ গোপন যোগাযোগক লৈ আপত্তিজনক তথ্য আৰু শুংসূত্ৰ লাভ কৰিছে। এই অনুসৰি সংগঠনকেইটাই কোনোধৰণৰ প্ৰচাৰ মাধ্যমেৰে কৰা প্ৰচাৰ ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ৯৮ ধাৰা অনুসৰি অপৰাধ হিচাপে গণ্য কৰা হ'ব।

০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি একশৰণ ভাগৱতী সমাজৰ কলিয়াবৰত থকা কেন্দ্ৰীয় পালনাম থানৰ স্থায়ী কীৰ্তন গৃহৰ দুৱাৰ উন্মোচন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে নৱনিৰ্মিত কীৰ্তন গৃহত ৰাজ্যবাসীৰ কল্যাণাৰ্থে সেৱা আগবঢ়ায়। কলিয়াবৰৰ নিজ চিলাবন্ধাত কালিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কেন্দ্ৰীয় পালনাম থানৰ গুৰু আসন আজি আচাৰ্য দেহেশ্বৰ বৰাই প্ৰতিষ্ঠা কৰে। এই কাৰ্যসূচীত বিভিন্ন জিলাৰ ধৰ্মীয় সংগঠনৰ পদাধিকাৰ, সত্ৰাধিকাৰকে ধৰি ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে। অনুষ্ঠানত  মন্ত্ৰী তথা স্থানীয় বিধায়ক কেশৱ মহন্ত উপস্থিত থাকে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই তেওঁৰ ভাষণত বৃন্দাবনী বস্ত্ৰ অসমলৈ অনাৰ সন্দৰ্ভত কয়, যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ৬০০ বছৰ আগতে প্ৰস্তুত কৰা বৃন্দাবনী বস্ত্ৰখন ২০২৭ চনত দুবছৰৰ বাবে লণ্ডনৰ পৰা অসমলৈ লৈ অনা হ'ব। ইয়াৰ বাবে ইতিমধ্যে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

**বাইট (চি এম)**

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা কেইটামান বছৰত উত্তৰ-পূৰ্বাঞ্চল দেশৰ উন্নয়নৰ কেন্দ্ৰবিন্দুৰূপে পৰিগণিত হোৱা বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন নীতি আৰু আঁচনি ৰূপায়ণৰ ফলত অঞ্চলটোত যোগাযোগসহ বিভিন্ন ক্ষেত্ৰত দ্ৰুত উন্নয়ন হৈছে। বাণিজ্যিক বিমান বন্দৰৰ সম্প্ৰসাৰণ, ছেমি কণ্ডাক্টৰ, ৰে'লৰে আৰু অন্য খণ্ডসমূহক উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰগতিৰ মূল চালিকাশক্তি বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। শ্ৰী সোণোৱালে কয়, যে উত্তৰ-পূৰ্বাঞ্চলৰ শান্তি-সম্প্ৰীতিয়ে অঞ্চলটোৰ পূৰ্ণ সম্ভাৱনাৰ সদ ব্যৱহাৰ নিশ্চিত কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলে উল্লেখনীয় ভূমিকা পালন কৰিছে বুলি শ্ৰী সোনোৱালে মন্তব্য কৰে।

**(বাইট ঃ সোণোৱাল)**

০০০০০

অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত আকাশবাণী গুৱাহাটীযোগে প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত ৰাজ্যৰ কৃষিক্ষেত্ৰৰ সম্ভাৱনা আৰু কৃষকলৈ সা-সুবিধা সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত অসম বীজ আৰু জৈৱিক প্ৰমাণিকৰণ অভিকৰণৰ প্ৰাক্তন সঞ্চালক তথা প্ৰাক্তন যুটীয়া কৃষি সঞ্চালক মৌচম হাজৰিকা আৰু

সোণাপুৰ চক্ৰৰ কৃষি উন্নয়ন বিষয়া সুপ্ৰিয়া বৰাই অংশ ল'ব। অনুষ্ঠানত কেইবাগৰাকীও কৃষকে নিজৰ অভিজ্ঞতা বিনিময় কৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

00000

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক তথা বিক্ৰেতা সংস্থাই যৌথভাৱে তিনিচুকীয়াত আয়োজন কৰা ১০ দিনীয়া অসম গ্ৰন্থমেলাত আজি বিয়লি উন্মিলন শীৰ্ষক এখন যুৱ লেখক সন্মিলন অনুষ্ঠিত হয়। যুৱ লেখকসকলৰ মাজত গ্ৰন্থ সংস্কৃতি অধিক দৃঢ় কৰা আৰু পঠন অভ্যাস তথা বৌদ্ধিক চৰ্চাৰ পৰিৱেশ গঢ়ি তোলাৰ উদ্দেশ্যে এই অনুষ্ঠানৰ আয়োজন কৰি অহা হৈছে। উন্মিলন অনুষ্ঠানত লেখকসকলৰ লগতে গীতিকাৰ-সুৰকাৰ, কণ্ঠশিল্পী-চিত্ৰশিল্পী আদিকো সামৰি লোৱা হয়। কবি-লেখক নৰজ্যোতি পাঠকে আজি এই অনুষ্ঠানৰ সঞ্চালনা কৰে। অনুষ্ঠানত ভালেসংখ্যক যুৱ কবি, লেখক, শিল্পী আদি উপস্থিত থাকে।

00000

মহিলাসকলক সমস্যা সমাধানৰ ক্ষেত্ৰত অসম ৰাজ্যিক মহিলা আয়োগক সক্ৰিয় কৰি তোলাৰ লক্ষ্যৰে আয়োগৰ অধ্যক্ষ আঙুৰলতা ডেকাৰ নেতৃত্বত উলিওৱা সজাগতামূলক মটৰ চাইকেল সমদল আজি বৰপেটাত উপস্থিত হয়। দুপৰীয়া দলটো জিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হোৱাৰ পাছত জিলা প্ৰশাসন, আৰক্ষী আৰু জিলা মহিলা আয়োগৰ বিষয়ববীয়াই তেওঁলোকক শুভেচ্ছা জনায়। ইয়াৰ পাছতে অনুষ্ঠিত এখন সভাত বৰপেটা জিলাত মহিলা আয়োগৰ কামকাজ কাজ পৰ্যালোচনা কৰা হয়। তদুপৰি জিলাখনত মহিলাৰ বিৰুদ্ধে অপৰাধ, নিৰ্যাতন আদি ব্যৱস্থা সম্পৰ্কেও পৰ্যালোচনা কৰা হয়। আয়োগৰ অধ্যক্ষ গৰাকীয়ে এই সভাত উন্নয়ন খণ্ড আৰু জিলা পৰ্যায়ত থকা মহিলা কোষসমূহ সক্ৰিয় কৰি মহিলাৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ গোচৰসমূহ সহজে মিমাংসাৰ বাবে পৰামৰ্শ দিয়ে। মহিলাসকলক সংকটৰ অৱস্থাত সহায় কৰিব পৰাকৈ ১৮১ নম্বৰ আৰু ৯৪৩৫১-৯৬২৬৩ ফোন নম্বৰ মুকলি কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

00000

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনবদ্য অৱদান আৰু সৃষ্টি সম্ভাৰক বিশ্বজনীন কৰাৰ প্ৰয়াসেৰে কালিৰে পৰা ওড়িশাৰ পুৰীত অনুষ্ঠিত পুৰী মহোৎসৱৰ আজি সামৰণি পৰিছে। দুদিনীয়া এই মহোৎসৱত জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ দৰ্শন, মতবাদ আৰু কৃষ্টি-সংস্কৃতিক বিশ্বৰ মাজলৈ লৈ যোৱাৰ প্ৰয়াস কৰা হয়। আজি অনুষ্ঠিত পালনামত অসমৰ কেইবাটাও দলে অংশগ্ৰহণ কৰে। কালি পুৰীৰ শ্ৰীমন্ত শংকৰদেৱ নামঘৰ প্ৰাংগণত বৰপেটা সত্ৰৰ চম্পক দাসৰ জাগৰণৰ গীত পৰিৱেশনেৰে মহোৎসৱ শুভাৰম্ভ কৰা হয়। পুৱাৰ প্ৰসংগ সংগীত-নাটক একাডেমী বঁটাপ্ৰাপক ৰাজ্যৰ বিশিষ্ট সত্ৰীয়া শিল্পী গুণীন্দ্ৰ নাথ ওজাই পৰিচালনা কৰে। ইয়াৰ পাছতে বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ নিৰ্মল অধিকাৰীয়ে মুকলি কৰে। ঔতলা সত্ৰৰ সত্ৰাধিকাৰ বাবুল চন্দ্ৰ ডেকাই মহোৎসৱৰ বাবে পৱিত্ৰ ভাগৱত বহন কৰে। ইয়াৰ পাছতে মুকলি সভা অনুষ্ঠিত হয়। মহোৎসৱ উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ড° বাবুল চন্দ্ৰ দাসে উন্মোচন কৰে।

00000

নামনি অসমৰ ঠাই বিশেষে আজি মহোহো বা মহ খেদা উৎসৱ পালন কৰা হ'ব। আঘোণ মাহৰ পূৰ্ণিমা তিথিত এই উৎসৱ পালন কৰা হয়। এই উপলক্ষে গধূলি গাঁৱৰ চেমনীয়াসকলে হাতত লাঠি লৈ চোতালত ঘূৰি ঘূৰি বিভিন্ন প্ৰক্ৰিয়াৰে মহ খেদা গীত গাই গৃহস্থৰ কুশল-মংগল কামনা কৰে আৰু আশীৰ্বাদ দিয়ে। লোকবিশ্বাস মতে মহ খেদাৰ পাছত লাহে লাহে মহবোৰ কমি যায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহোহো উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত সকলোৰে কুশল-মংগল প্ৰাৰ্থনা কৰিছে।

00000

ধেমাজি জিলাৰ কাৰেং চাপৰিত অহা সাত ডিচেম্বৰৰ পৰা ১১ জানুৱাৰীলৈ দশম মিচিং যুৱ মহোৎসৱ অনুষ্ঠিত হ'ব। এই মহোৎসৱত ২২ টা শাখাত হ'বলগীয়া বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতাত ছহেজাৰতকৈও অধিক শিল্পীয়ে অংশগ্ৰহণ কৰিব। এই উপলক্ষে কালি মহোৎসৱৰ লাইখুঁটা স্থাপন কৰা হয়। চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে হ'বলগীয়া এই মহোৎসৱৰ জৰিয়তে মিচিং জনগোষ্ঠীক আৰ্থ সামাজিক, শৈক্ষিক আৰু সাংস্কৃতিক দিশত আগুৱাই নি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত চিনাকি কৰাই দিয়াই মূল লক্ষ্য বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰে।

ooooo

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে বাতৰি বিভাগৰ দ্বাৰা আজি বিয়লি ৩ বাজি ৫ মিনিটত প্ৰচাৰিত বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব। গোৱালপাৰা জিলা অভিলাষী জিলাৰূপে পৰিগণিত হোৱা সন্দৰ্ভত গোৱালপাৰাৰ জিলা আয়ুক্ত প্ৰদীপ টিমুঙৰ সৈতে আমাৰ গোৱালপাৰা জিলাৰ সংবাদদাতা ৰছিদুল হুছেইনৰ এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব।

ooooo

কালি সন্ধিয়া দেহাৱসান ঘটা মঙলদৈৰ উপহুপাৰা ২ নম্বৰ কলনীৰ নিবাসী সংস্কৃত সাহিত্যৰ বিশিষ্ট সাধক, সাহিত্যিক পেঞ্চনপ্ৰাপ্ত মতিদেৱ শাস্ত্ৰীৰ অন্ত্যেষ্টিক্ৰিয়া আজি আগবেলা মঙলদৈৰ উপহুপাৰা শ্মশানত সম্পন্ন কৰা হয়। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, কালি সন্ধিয়া মঙলদৈৰ এখন চিকিৎসালয়ত ৮৮ বছৰ বয়সত দেহাৱসান ঘটা শাস্ত্ৰীয়ে গুৱাহাটীৰ মালিগাঁৱৰ নেতাজী ৰে'লৱে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণৰ পাছত তেওঁ দৰং জিলা ব্ৰাহ্মণ সমাজৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। কেইবাখনো গ্ৰন্থ ৰচনা কৰা বিশিষ্ট সংস্কৃত পণ্ডিতগৰাকীক কেইবাটাও বঁটা আৰু সন্মানেৰে বিভূষিত কৰা হৈছিল। তেওঁৰ মৃত্যুত মঙলদৈত শোকৰ ছাঁ পৰিছে।

ooooo

সমাপ্ত